Awareness Programme Organized by KKHSOU in collaboration with KKHSOU, study centre at Saraighat College on 13th August 2025

বৃহস্পতিবাৰ, ১৪ আগষ্ট ২০২৫ নিয়মীয়া বাৰ্তা




# শৰাইঘাট মহাবিদ্যালয়ত নামভৰ্তিৰ সজাগতা সভা সম্পন্ন

**গুৱাহাটী, ১৩ আগষ্ট ঃ** আজি শৰাইঘাট মহাবিদ্যালয়ত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ উদ্যোগত আৰু শৰাইঘাট মহাবিদ্যালয়ৰ মুক্ত শিক্ষা কেন্দ্ৰৰ সহযোগত নামভৰ্তিৰ সজাগতা প্ৰসংগত এখন সভা অনুষ্ঠিত হয়। শৰাইঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মাণি শৰ্মাৰ আদৰণী ভাষণ আৰু সমল ব্যক্তিসকলৰ সহযোগত বন্তি প্ৰজ্বলনেৰে সভাখন আৰম্ভ হয়। ইয়াত সমল ব্যক্তি হিচাপে উপস্থিত থাকে কৃষ্ণকান্ত ১৩ পৃষ্ঠাত

## শৰাইঘাট মহাবিদ্যালয়ত নামভৰ্তিৰ

সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° ইন্দ্ৰাণী ডেকা আৰু ড° ৰিতীমণি বৰদলৈ। সভাত শৰাইঘাট মহাবিদ্যালয়ৰ মুক্ত শিক্ষা কেন্দ্ৰৰ সমন্বয়ক তথা গণিত বিভাগৰ অধ্যাপক হেমেন কলিতাৰ লগতে কামৰূপ জিলাৰ অন্তৰ্গত বহুতো মুক্ত শিক্ষা কেন্দ্ৰৰ সমন্বয়কসকল উপস্থিত থাকে। শৰাইঘাট মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক- অধ্যাপিকাৰ লগতে ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীও উপস্থিত থাকে। দুয়োগৰাকী সমল ব্যক্তিয়ে বয়স আৰু সময়ৰ বাধা নেওচি কেনেকৈ মানুহে বিভিন্ন বিষয়ত স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিব পাৰে, সেই সম্পৰ্কে সুন্দৰভাৱে ব্যাখ্যা কৰে। সভাৰ শেষত বোৰ্কা মধ্য কামপীঠ মহাবিদ্যালয়ৰ মুক্ত শিক্ষা কেন্দ্ৰৰ সমন্বয়ক তথা ভূগোল বিজ্ঞান বিভাগৰ অধ্যাপক দেৱজিৎ দাসে সভাত সকলোকে শলাগৰ শৰাই জ্ঞাপন কৰে।

Guwahati, Thursday, August 14, 2025
দৈনিক জনমভূমি

# শৰাইঘাট কলেজত নামভৰ্তি সন্দৰ্ভত সজাগতা সভা

**মহানগৰ ব্যুৰ', ১৩ আগষ্ট ঃ** শৰাইঘাট মহাবিদ্যালয়ত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ উদ্যোগত আৰু শৰাইঘাট মহাবিদ্যালয়ৰ মুক্ত শিক্ষা কেন্দ্ৰৰ সহযোগত আজি নামভৰ্তিৰ সজাগতাৰ প্ৰসংগত এখন সভা অনুষ্ঠিত হয়। শৰাইঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মানি শৰ্মাৰ আদৰণী ভাষণ আৰু সমল ব্যক্তিসকলৰ সহযোগত বন্তি প্ৰজ্বলনৰে সভাখন আৰম্ভ হয়। সভাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° ইন্দ্ৰাণী ডেকা আৰু ড° ৰীতিমণি বৰদলৈ। উক্ত সভাত শৰাইঘাট মহাবিদ্যালয়ৰ মুক্ত শিক্ষা কেন্দ্ৰৰ সমন্বয়ক তথা গণিত বিভাগৰ অধ্যাপক হেমেন কলিতাৰ লগতে কামৰূপ জিলাৰ অন্তৰ্গত বহুতো মুক্ত শিক্ষা কেন্দ্ৰৰ সমন্বয়কসকল উপস্থিত থাকে। শৰাইঘাট মহাবিদ্যালয়ৰ বহু সংখ্যক অধ্যাপক-অধ্যাপিকাৰ লগতে ছাত্ৰ- ছাত্ৰীও উপস্থিত থাকে। দুয়োগৰাকী সমল ব্যক্তিয়ে বয়স আৰু সময়ৰ বাধা নেওচি কেনেকৈ মানুহে বিভিন্ন বিষয়ত স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিব পাৰে, সেই সম্পৰ্কে কয়। সভাৰ শেষত বোৰ্কা মধ্য কামপীঠ মহাবিদ্যালয়ৰ মুক্ত শিক্ষা কেন্দ্ৰৰ সমন্বয়ক তথা ভূগোল বিজ্ঞান বিভাগৰ অধ্যাপক দেৱজিৎ দাসে সভাত সকলোকে শলাগৰ শৰাই জ্ঞাপন কৰে।